بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ

# খোতবা জুমা

**হজৰত মছীহ মাওউদ (আঃ)ৰ লিখনীৰ আলোকত চুৰা জুমাৰ আৰম্ভণী আয়াতবোৰৰ ব্যাখ্যা আৰু হজৰত মছীহ মাওউদ (আঃ)ৰ যুগৰ নিদৰ্শন সমূহ**
**জামাতৰ সদস্যবৃন্দ সকলৰ ওচৰত পাকিস্তান,বৰকিনাফাছো আৰু বাংলাদেশৰ আহমদী সকলৰ বাবে দোৱাৰ আবেদন**

**ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)য়ে ২৪ মাৰ্চ ২০২৩ চনত মছজিদ মোবাৰক ইছলামাবাদ টিলফোৰ্ড (বৃটেইন)ত প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ**

أَشْهَدُ أَنْ لَا إِلٰهَ إِلَّا اللّٰهُ وَحْدَهُ لَا شَرِيْكَ لَهُ وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهُ وَرَسُوْلُهُ أَمَّا بَعْدُ فَأَعُوْذُ بِاللّٰهِ مِنَ الشَّيْطٰنِ الرَّجِيْمِ۔ بِسْمِ اللّٰهِ الرَّحْمٰنِ الرَّحِيْمِ۔ اَلْحَمْدُ لِلّٰهِ رَبِّ الْعٰلَمِيْنَ۔ الرَّحْمٰنِ الرَّحِيْمِ۔ مٰلِكِ يَوْمِ الدِّيْنِ۔ اِيَّاكَ نَعْبُدُ وَاِيَّاكَ نَسْتَعِيْنُ۔ اِهْدِنَا الصِّرَاطَ الْمُسْتَقِيْمَ۔ صِرَاطَ الَّذِيْنَ اَنْعَمْتَ عَلَيْهِمْ ۙ غَيْرِ الْمَغْضُوْبِ عَلَيْهِمْ وَلَا الضَّآلِّيْنَ۔

তাশ্বাহুদ তাউজ আৰু ছুৰা ফাতিহা আৰু চুৰা জুমাৰ আয়াত **হুৱাল্লাজি বাআছা ফিল উম্মিয়িনা ৰাছুলাম মিনহুম ইয়াতলু আলায়হিম আয়াতিহি ওৱা ইউজাক্কিহিম ওৱা ইউআল্লিমুহুমুল কিতাবা ওৱাল হিকমাতা ওৱা ইন কানু মিন কাবলু লাফি জালালিম মুবিন- ওৱা আখাৰিনা মিনহুম লাম্মা ইয়ালহাকুবিহিম ওৱা হুৱাল আজিজুল হাকিম** পাঠ কৰাৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে আয়াতৰ অনুবাদ, সেইজনাই যিজনে অশিক্ষিত জাতিৰ মাজত এজন তেওঁলোকৰ মাজৰ পৰা পয়গম্বৰ প্ৰেৰণ কৰিছে যিয়ে তেওঁলোকলৈ আল্লাহৰ আয়াত সমূহ আবৃত্তি কৰে;আৰু তেওঁলোকক পৱিত্ৰ কৰে আৰু তেওঁলোকক গ্ৰন্থখন আৰু ইয়াৰ জ্ঞান শিকায় যদিওবা পূৰ্বে তেওঁলোক স্পষ্ট ভাৱে ভ্ৰান্ত পথত আছিল। আৰু তেওঁক সেইজনাই সেইবিলাক আন কিছুমানৰ মাজত উঠাব যি বৰ্তমান তেওঁলোকৰ লগত যোগ দিয়া নাই সেইজনাই হৈছে শক্তিশালী জ্ঞানী। (চুৰা জুমা আয়াত ৩-৪)

২৩ মাৰ্চৰ দিনটো জামাতে আহমদীয়াত মছীহ মাওউদ দিৱস নামেৰে জনা যায়। আমি সৌভাগ্যবান যে আল্লাহ তা'লাৰ প্ৰতিশ্ৰুতি আৰু ৰছুলে কৰিম (ছাঃ)ৰ ভৱিষ্যদ্বাণী অনুযায়ী যুগৰ ইমাম হজৰত মছীহ মাওউদ (আঃ)ক গ্ৰহণ কৰাৰ সৌভাগ্য লাভ কৰিছোঁ। ২৩ মাৰ্চ ১৮৮৯ চনত তেখেত (আঃ)য়ে লুধিয়ানাত বয়াত লৈ এখন পৱিত্ৰ জামাত প্ৰতিষ্ঠিত কৰিছে। চুৰা জুমাৰ যি আয়াত সমূহ মই পাঠ কৰিলোঁ তাতে আঁহজৰত (ছাঃ)ৰ সত্য দাসৰ

আগমন আৰু তেখেতৰ মাধ্যমে এটা জামাত প্ৰতিষ্ঠিত কৰাৰ শুভ সংবাদ দিয়া হৈছে। ইয়াৰ বাহিৰেও আন আন আয়াত সমূহত আৰু হাদীছ সমূহতও এই শুভ সংবাদ বৰ্ণিত আছে। এতিয়া মই সেই আয়াত সমূহ বিস্তাৰিত ভাৱে আৰু আগমনকাৰী মছীহ মাওউদ (আঃ)ৰ যুগৰ বিভিন্ন নিদৰ্শন সমূহ যি বৰ্ণিত আছে তাৰ ব্যাখ্যা হজৰত মছীহ মাওউদ (আঃ)ৰ শব্দাৱলীত বয়ান কৰিম। এইদৰে তেখেত (আঃ)য়ে দাবী কৰিছিল সেয়াও সংক্ষিপ্ত ভাৱে তেখেত (আঃ)ৰ শব্দাৱলীতেই উত্থাপন কৰিম।

উক্ত আয়াত সমূহৰ ব্যাখ্যা হজৰত মছীহ মাওউদ (আঃ)য়ে বৰ্ণনা কৰিছে, উক্ত আয়াতৰ মূলভাৱ এয়া যে খোদা সেইজনা যিজনাই এনে সময়ত ৰছুল প্ৰেৰণ কৰিছে যে লোক সকলে জ্ঞান আৰু বিবেক-বুদ্ধিৰ পৰা বধিৰ আছিল। ধাৰ্মিক জ্ঞান যাৰ পূৰ্ণতা লাভ কৰাত মানুহে চৰম সীমালৈ গৈ পায় সেয়া একেবাৰে হেৰাই পেলাইছিল। তেনে সময়ত খোদা তা'লাই স্বকীয় ৰছুল প্ৰেৰণ কৰে আৰু সেই ৰছুলে সেইসকল লোক সকলৰ প্ৰবৃত্তি পৱিত্ৰ কৰে আৰু জ্ঞানেৰে ভৰা আৰু যুক্তিসঙ্গত কিতাপৰ মাধ্যমে সিহঁতক ভৰপূৰ কৰে; অৰ্থাৎ নিদৰ্শন সমূহ আৰু অলৌকিক ঘটনাৱলীৰ মাধ্যমে সিহঁতক বিশ্বাসৰ চৰম সীমালৈ পৌচাই দিয়ে। আকৌ কৈছে, আৰু এটা দল আছে যি শেষ যুগত প্ৰকাশ পাব; সিহঁতেও প্ৰথমে অন্ধকাৰ আৰু পথভ্ৰষ্টতাত নিপতিত থাকিব তাৰ পিছত খোদা তা'লাই সিহঁতক চাহাবা সকলৰ ৰূপ ধাৰণ কৰোৱাব; এনেকি সিহঁতৰ সত্যতা আৰু বিশ্বাসও চাহাবা সকলৰ সত্যতা আৰু বিশ্বাসৰ সাদৃশ্য হ'ব। ছহী হাদীছত আছে যে আঁহজৰত (ছাঃ) য়ে নিম্নত উল্লেখিত হাদীছৰ সময়ত ছলমান ফাৰ্চীৰ কান্ধৰ ওপৰত হাত ৰাখি কৈছে **লাউ কানাল ঈমানু মুৱাল্লাকান বিচ্ছুৰায়া লানা লাহু ৰাজুলুন মিন ফাৰিছ,** এই যুগ সন্দৰ্ভত কৈছে যে কোৰাণ আকাশলৈ উঠোৱা (কোৰআনৰ ওপৰত আমল কৰা এৰি দিব) হ'ব সেই যুগেই মছীহ মাওউদৰ যুগ হ'ব। এই ফাৰ্চীৰ মূল সেয়াই হয় যাৰ নাম মছীহ মাওউদ।

কৈছে এই আয়াতৰ অৰ্থ এয়া যে পথভ্ৰষ্টতাত সীমা লঙ্ঘন কৰাৰ পিছত হিদায়ৎ আৰু জ্ঞান বুদ্ধি লাভকাৰী আৰু আঁহজৰত (ছাঃ)ৰ অলৌকিক ঘটনা সমূহ আৰু কল্যাণ সমূহ পৰ্যবেক্ষণকাৰী দুটা দলেই হয়। প্ৰথম চাহাবাসকল; দ্বিতীয় দল যি চাহাবা সকলৰ সাদৃশ্যপূৰ্ণ সেয়া হ'ল মছীহ মাওউদৰ দল। এই দলেও তেখেত (ছাঃ)ৰ অলৌকিক ঘটনা সমূহ দৰ্শন কৰোঁতা হয়। আজি কালি এনেকুৱাই হৈছে। অৰ্থাৎ তেৰ শ বছৰ পিছত তেখেত (ছাঃ)ৰ মু'জিজা (অলৌকিক ঘটনা)ৰ দুৱাৰ মুকলি হৈছে আৰু লোক সকলে নিজৰ চকুৰে দৃষ্টিগোচৰ হৈছে যে চন্দ্ৰ আৰু সূৰ্য গ্ৰহণ ৰমজান মাহত দাৰে কুতনি হাদীছ আৰু ফতাওৱা ইবনে হজৰ অনুযায়ী প্ৰকাশ পাইছে। আকৌ **জুছ ছানিন** তৰাটোও মাহদী আৰু মছীহ মাওউদৰ সময়ত প্ৰকাশ পাব বুলি উল্লেখ আছে; সেই তৰাটো সহস্ৰ লোক সকলে দৰ্শন কৰিছে। এনেও জাৱাৰ অগ্নিও সহস্ৰ লোক সকলে দেখিছে। এনেকুৱা প্লেগ মহামাৰী বিস্তাৰ লাভ কৰা আৰু হজ্ব কৰিবলৈ বাধা প্ৰদান কৰা সকলোৱে স্বকীয় দৃষ্টিৰে দেখিবলৈ পাইছে। ৰাষ্ট্ৰত ৰেল গাড়ীৰ প্ৰচলন হোৱা,উটবোৰৰ মাধ্যমে যাতায়তহীন হোৱা এই সমূহ তেখেত (ছাঃ)ৰ মু'জিজা আছিল। যাক এই যুগত সেইদৰে দেখিবলৈ পোৱা গৈছে যিদৰে চাহাবা সকলে মু'জিজা দেখিছিল। সেই কাৰণে আল্লাহ তা'লাই এই শেষ যুগৰ দলক **মিনহুম** শব্দেৰে মাতিছে যাতে এই ইঙ্গিত কৰে যে এই দৃষ্টি গোচৰ হোৱা মু'জিজা সমূহে চাহাবা সকলৰ ৰঙেৰে ৰঙিত। চিন্তা-ভাৱনা কৰি চোৱা, তেৰ শ বছৰত এনে নবুয়তৰ পদ্ধতিৰ যুগ কোনে লাভ কৰিব পাৰিছে ?

আমাৰ জামাত কেইবা ফালৰ পৰা চাহাবা সকলৰ জামাতৰ সৈতে সাদৃশ্য কৰা হৈছে। সিহঁতক (জামাতৰ লোক সকলক) খোদা তা'লাৰ সতেজ নিদৰ্শন আৰু সহায়ত জ্যোতি প্ৰদান কৰা হৈছে আৰু বিশ্বাসত দৃঢ় হৈছে যিদৰে চাহাবা সকলৰ আছিল। সিহঁতে খোদা তা'লাৰ সন্তুষ্টি অৰ্জনাৰ্থে লোক সকলৰ ধিক্কাৰ,হাঁহি-বিদ্ৰূপ, অপশব্দ আৰু কষ্টৰ বোজা সহ্য কৰে যিদৰে চাহাবা সকলে সহ্য কৰিছিল। সিহঁতে খোদা তা'লাৰ নিদৰ্শন আৰু ঐশ্বৰিক

সহায়তে পৱিত্ৰ জীৱন অৰ্জন-যাপন অতিবাহিত কৰে যিদৰে চাহাবা সকলে কৰিছিল। উত্তম সেইজন যিজনে নামাজত ক্ৰন্দন কৰে আৰু সাষ্টাঙ্গে প্ৰণিপাত কৰি অশ্ৰু নিৰ্গত কৰে যিদৰে চাহাবা সকলে কৰিছিল। যিদৰে এই জামাত চাহাবা সকলৰ সাদৃশ্যপূৰ্ণ ঠিক সেইদৰে সেই ব্যক্তি যিজন এই জামাতৰ ইমাম হয় তেখেত আঁহজৰত (ছাঃ)ৰ সাদৃশ্য। যিদৰে আঁহজৰত (ছাঃ)য়ে নিজেই মাহদী মাওউদৰ এই গুণ বৰ্ণনা কৰিছে যে তেওঁ তেখেত (ছাঃ)ৰ সদৃশ হ'ব। সেই সাদৃশ্য তেখেতৰ অস্তিত্বত থাকিব, এটা সাদৃশ্য হজৰত মছীহ (আঃ)ৰ অস্তিত্বৰ সৈতে আছে সেই কাৰণে তেখেত মছীহ বুলি আখ্যায়িত হ'ব। দ্বিতীয় সাদৃশ্য আঁহজৰত (ছাঃ)ৰ সৈতে থাকিব যাৰ কাৰণে সেইজন মাহদী হ'ব।

নিজৰ দাবী সম্বন্ধে তেখেত (আঃ)য়ে কয় যে যেতিয়া খোদা তা'লাই যুগৰ বৰ্তমান অৱস্থাৰ প্ৰতি লক্ষ্য কৰি আৰু যুগৰ ভিন্ন ভিন্ন অশ্লীলতা, ভৰপূৰ পাপীষ্ঠ দেখি মোক সত্যৰ প্ৰচাৰ আৰু সংশোধনৰ কাৰণে প্ৰেৰণ কৰিলে। এই যুগও তেনেকুৱাই আছিল যে লোক সকলে তেৰ শতাব্দী হিজৰী অতিক্ৰম কৰি চৌধ্য শতিকাৰ শিৰোভাগত গৈ পাইছিল, তেতিয়া মই এই আদেশক বাধ্যবাধকতাৰে সাধাৰণ লোক সকলৰ মাজত লিখনী,বিজ্ঞাপন আৰু ভাষণ সমূহৰ মাধ্যমে বিস্তাৰ কৰা আৰম্ভ কৰিলোঁ যে শতিকাৰ শিৰোভাগত ধৰ্মক সঞ্জীৱিত কৰাৰ বাবে যাৰ আগমনৰ কথা আছিল সেইজন মইয়ে। যাতে সেই ঈমান যি পৃথিৱীৰ পৰা নাইকিয়া হৈ গৈছিল সেয়া দ্বিতীয়বাৰ প্ৰতিষ্ঠিত কৰো।

ইয়াৰ কি প্ৰমাণ যে আগমনকাৰী মছীহ মাওউদ তেখেত (আঃ)য়েই হয়;এই উদ্ধৃতিত তেখেত (আঃ)য়ে কৈছে যে তাৰ উত্তৰ এয়া যে যি যুগত, যি এলেকাত মছীহ মাওউদৰ প্ৰকাশ পোৱাৰ কথা কোৰআন, হাদীছৰ পৰা প্ৰমাণিত হয় আৰু যিবোৰ বিশেষ কৰ্মক মছীহৰ অস্তিত্বৰ সৈতে সংলগ্ন কৰিছে আৰু যি পাৰ্থিৱ আৰু ঐশ্বৰিক ঘটনাৱলী মছীহ মাওউদৰ প্ৰকাশ পোৱাৰ বাবে চিহ্নাৱলী নিৰ্দিষ্ট কৰিছে, আৰু যি জ্ঞান আৰু সুপৰিচিতক মছীহ মাওউদৰ সৈতে বিশেষ বুলি সাব্যস্ত কৰিছে; সেই সমূহ কথা আল্লাহ তা'লাই মোৰ মাজত আৰু মোৰ যুগত আৰু মোৰ দেশত সংগ্ৰহ কৰি দিছে। ছিলছিলাৰ উন্নতি সম্বন্ধে তেখেত (আঃ)য়ে কৈছে যে আজিৰ পৰা ২৩ বছৰ আগতে বাৰাহিনে আহমদীয়াত এই ইলহাম আছিল যে লোক সকলে চেষ্টা কৰিব যে এই ছিলছিলাৰ সমাপ্তি ঘটাব। প্ৰত্যেক ধৰণৰ কৌশল সিহঁতে অৱলম্বন কৰিব, কিন্তু খোদা তা'লাই এই ছিলছিলাৰ সহায় সৰ্বদা কৰি থাকিব। হুজুৰ আনোৱাৰ কৈছে যে আজিও এই ছিলছিলা জাৰি আছে।

হজৰত মছীহ মাওউদ (আঃ)ক আল্লাহ তা'লাই বাৰাহিনে আহমদীয়াত কৈছে যে বাকপটুতাৰ নিজৰা তেখেতৰ ওঁঠত জাৰি কৰা হৈছে। সেই নিদৰ্শনৰ প্ৰমাণ হুজুৰ (আঃ)ৰ কিতাপ হয়। কেইবাখন কিতাপ আৰবী ভাষাত পাণ্ডিত্য লাভ কৰি লিখি সহস্ৰ টকাৰ পুস্কাৰৰ সৈতে প্ৰকাশ কৰা হৈছে কিন্তু প্ৰতিদ্বন্দ্বিতাৰ বাবে কোনেও নাহিল।

দোৱা গৃহীত হোৱাৰ নিদৰ্শন সমূহৰ উদ্ধৃতিত হুজুৰ (আঃ)য়ে এজন ছাত্ৰ আব্দৰুৰ ৰহমানৰ পুত্ৰ আব্দুল কৰিম হায়দৰাবাদৰ বাসিন্দাৰ উদাহৰণ উত্থাপন কৰিছে যিজন কাদিয়ানত শিক্ষা অৰ্জন কৰাৰ বাবে আহিছিল। তেওঁক পাগল কুকুৰে কামোৰে। প্ৰত্যেক ধৰণৰ চিকিৎসা কৰা হ'ল, অৱশেষত চিকিৎসকে হতাশা প্ৰকাশ কৰি দিলে; তাৰ পিছত তেখেত (আঃ)য়ে খোদা তা'লাৰ ওচৰত বৰ বেদনাৰে সৈতে দোৱা কৰিলে তেতিয়া দোৱা গৃহীত হোৱাৰ কিছু বিশেষ মৰ্যাদা প্ৰকাশ পাব ধৰিলে,অৰ্থাৎ কিছু সময়ৰ পিছতেই সেই ছাত্ৰ জন আৰোগ্য লাভ কৰিব ধৰিলে আৰু কেইবা দিনৰ ভিতৰতে তেওঁ সম্পূৰ্ণৰূপে সুস্থ্য হৈ পৰিলে।

হুজুৰ আনোৱাৰ (আইঃ)য়ে ঐশ্বৰিক সহায়ৰ নিদৰ্শন আলেকজেণ্ডাৰ ডুইৰ,গোলাম দস্তগিৰ কছুৰী আৰু চিৰাগ দ্বীন জমুলিৰ উদাহৰণ উত্থাপন কৰে।

হুজুৰ আনোৱাৰে কৈছে আজি মুছলমান সকলে যদি এই বাস্তৱতাক বুজি পায় যে যিজন মছীহ ও মাহদীৰ আগমন ঘটিবলগীয়া আছিল সেইজনৰ আগমন ঘটিছে আৰু আঁহজৰত (ছাঃ)ৰ সত্য দাস এইজনেই আৰু তেখেতৰ বয়াত গ্ৰহণ কৰা আঁহজৰত (ছাঃ)ৰ আদেশক্ৰমে জৰুৰী; তেতিয়াহে মুছলমান সকলে পৃথিৱীত নিজৰ শ্ৰেষ্ঠত্ব দ্বিতীয়বাৰ প্ৰতিষ্ঠিত কৰিব পাৰিব নতুবা সিহঁতৰ এনে অৱস্থাই থাকিব যি এতিয়া আছে।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কৈছে যে ৰমজান মাহত আহমদী সকলে যেতিয়া নিজৰ বাবে দোৱা কৰিব তেতিয়া জামাতে প্ৰত্যেক ধৰণৰ ফিৎনাৰ পৰাও যেন ৰক্ষা পায় তাৰ বাবেও দোৱা কৰিব,মুছলমান উম্মতৰ বাবেও দোৱা কৰিব। আল্লাহ তা'লা যেন সিহঁতৰ চকু খুলি দিয়ে,সিহঁতক অন্ধকাৰৰ পৰা উলিয়াই আনক যাতে সিহঁতে এই কথাক বুজিব পাৰে যে খাতামে নবুয়তৰ বাস্তৱতাক কেৱল হজৰত মিৰ্জা গোলাম আহমদ কাদিয়ানী মছীহ ও মাহদী মাওউদ আৰু তেখেত (আঃ)ৰ জামাতেই বুজিব পাৰিছে।

বিশেষকৈ পাকিস্তানৰ আহমদী সকলে নিজৰ দেশৰ বাবেও দোৱা উচিত আৰু পাকিস্তানৰ আহমদী সকলৰ বাবেও দোৱা কৰা উচিত। আল্লাহ তা'লা নিৰ্যাতনকাৰী আৰু দুষ্ট প্ৰকৃতিৰ আৰু স্বাৰ্থ পৰায়ণ নেতা সকলৰ পৰা ৰাষ্ট্ৰখনক উদ্ধাৰ কৰক। এইদৰে বৰকিনা ফাছোৰ আহমদী সকলৰ বাবে দোৱা কৰিব। আল্লাহ তা'লা সিহঁতক অনিষ্টকাৰীৰ পৰা সুৰক্ষা ৰাখক। বাংলাদেশৰ আহমদী সকলৰ বাবেও বিশেষ ভাৱে দোৱা কৰিব তাতে প্ৰত্যেক জুমাৰ দিনা কোনো নহয় কোনো ভীতি থাকে।

গোটেই পৃথিৱীৰ আহমদী সকলৰ বাবে দোৱা কৰিব। আল্লাহ তা'লা সিহঁতক প্ৰত্যেক দুষ্টৰ পৰা সুৰক্ষিত ৰাখক। প্ৰত্যেক আহমদীক দৃঢ় খোজ আগবঢ়াৰ সৌভাগ্য দান কৰক, ঈমান আৰু বিশ্বাস বৃদ্ধি কৰক।

পৃথিৱীৰ ধ্বংসৰ পৰা ৰক্ষা পোৱাৰ বাবে দোৱা কৰিব। আজি কালি যি পৰিস্থিতি হৈ আছে যে পৃথিৱী অগ্নিৰ প্ৰান্তত থিয় হৈ আছে। বাহ্যিক হিচাপে যুদ্ধৰ ফালে অগ্ৰগতি হৈ আছে; ইয়াৰ ফলাফল ধ্বংসলীলাই দেখা দিব। চাৰিত্ৰিক ক্ষেত্ৰত বেয়া সীমা লঙ্ঘন কৰি গৈছে। সিহঁতে আল্লাহৰ পৰা দূৰত্ব হৈ আছে যাৰ কাৰণে আল্লাহ তা'লাৰ ক্ৰোধৰ অধীনস্থ যেন হৈ নাযায় আৰু আল্লাহ তা'লাৰ শাস্তি যেন সিহঁতৰ ওপৰত অৱতীৰ্ণ নহয়।

আল্লাহ তা'লা আহমদী সকলক প্ৰত্যেক বেয়াৰ পৰা সুৰক্ষা কৰক। আহমদী সকলক নিজৰ ফৰজ আৰু সত্য অৱলম্বন কৰাৰ সৌভাগ্য দান কৰক। প্ৰত্যেক ধৰণৰ বিপদৰ পৰা ৰক্ষা কৰি নিজৰ সুৰক্ষাৰ অধীনস্থ কৰক। আমীন-

খোতবাৰ শেষত হুজুৰ আনোৱাৰ (আইঃ)য়ে আলফজল ইণ্টাৰনেচনালৰ ৰোজ নামাৰ ঘোষণা কৰে; সেইটোক পঢ়া আৰু ক্ৰয় কৰাৰ প্ৰতি মনোযোগ আকৰ্ষণ কৰে। আলফজলত লিখা সকলকৰ বাবে হুজুৰ দোৱা কৰে।

اَلْحَمْدُ لِلّٰہِ نَحْمَدُہٗ وَنَسْتَعِیْنُہٗ وَنَسْتَغْفِرُہٗ وَنُؤْمِنُ بِہٖ وَنَتَوَکَّلُ عَلَیْہِ وَنَعُوْذُ بِاللّٰہِ مِنْ شُرُوْرِ اَنْفُسِنَا
وَمِنْ سَیِّئَاتِ اَعْمَالِنَا مَنْ یَّھْدِہِ اللّٰہُ فَلَا مُضِلَّ لَہٗ وَمَنْ یُّضْلِلْہُ فَلَا ھَادِیَ لَہٗ وَنَشْھَدُ اَنْ لَّا اِلٰہَ اِلَّا اللّٰہُ
وَنَشْھَدُ اَنَّ مُحَمَّدًا عَبْدُہٗ وَرَسُوْلُہٗ۔ عِبَادَ اللّٰہِ رحمکم اللّٰہ اِنَّ اللّٰہَ یَاْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِیْتَآءِ ذِی الْقُرْبٰی
وَیَنْھٰی عَنِ الْفَحْشَآءِ وَالْمُنْکَرِ وَالْبَغْیِ یَعِظُکُمْ لَعَلَّکُمْ تَذَکَّرُوْنَ اُذْکُرُوا اللّٰہَ یَذْکُرْکُمْ وَادْعُوْہُ یَسْتَجِبْ
لَکُمْ وَلَذِکْرُ اللّٰہِ اَکْبَرُ۔

# BOOK POST (PRINTED MATTER)

TO,

..........................................................................................................................................

..........................................................................................................................................

..........................................................................................................................................

From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/n-IV, Bongaigaon Assam 783384. # 9707110844